# প্ৰত্ন প্ৰস্তৰ যুগ বা চিকাৰ বৃত্তি আৰু খাদ্যসামগ্ৰী সংগ্ৰহৰ সময় (৫,০০,০০০-১০,০০০ BCE) :

■ গৌতম শৰ্মা

প্ৰাক-ইতিহাস (pre-history) ৰ অন্তৰ্গত শৈল যুগৰ প্ৰথম সময়ছোৱাক বৰফৰ যুগ (Ice age or Pleistocene period) বুলি জনা যায়। সিন্ধু আৰু গংগা নদীৰ পলসুৱা উপত্যকাৰ বাহিৰে ভাৰতবৰ্ষৰ প্ৰায়বোৰ অংশতেই এই যুগৰ বিকাশ ঘটিছিল। এই প্ৰত্ন প্ৰস্ত যুগৰ মানুহবোৰ নেগ্ৰিট' নৃগোষ্ঠীৰ বুলি কোৱা হয়; আৰু তেওঁলোকে গুহাকেই প্ৰধান বাসস্থান, আশ্ৰয় হিচাপে লৈছিল। প্ৰত্ন প্ৰস্ত যুগৰ লোকসকলে জীৱন নিৰ্বাহৰ বাবে চিকাৰ আৰু খাদ্যসামগ্ৰী সংগ্ৰহত গুৰুত্ব দিছিল। কৃষি কৰ্ম, গৃহ নিৰ্মাণ, বাচন-বৰ্তন সজা, যিকোনো ধাতুৰ বিষয়ে তেওঁলোকৰ কোনো জ্ঞান নাছিল। এইছোৱা সময়ৰ মানুহে প্ৰথমে খহটা কেতবোৰ অস্ত্ৰ ব্যৱহাৰ কৰিছিল লগতে তেওঁলোক নগ্ন আছিল। বিশেষকৈ হস্তকুঠাৰ, দা, কাটাৰী, বটালি, চোঁচনী আদি ধৰণৰ কেতবোৰ হাথিয়াৰ তেওঁলোকৰদ্বাৰা ব্যৱহৃত হৈছিল। এই অস্ত্ৰ-শস্ত্ৰবোৰক 'কোৱাৰ্টজাইট' (Quaztzite) নামৰ এবিধ কঠিন শিলেৰে নিৰ্মাণ কৰা হৈছিল; আৰু সেইবাবেই এই প্ৰত্ন প্ৰস্ত যুগৰ মানুহক 'কোৱাৰ্টজাইট মানুহ' (Quaztzite Man) বুলিও জনা যায়। প্ৰত্ন প্ৰস্ত যুগৰ মানুহে ব্যৱহাৰ কৰা শিলেৰে নিৰ্মিত অস্ত্ৰবোৰৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰি এই যুগক আকৌ তিনিটা ভাগত ভাগ কৰা হৈছে-

১/ আদি প্ৰত্ন প্ৰস্ত যুগ (Early or lower palaeolithic age - 5,00,000 BCE-50,000BCE) : বৰফৰ যুগৰ এক বৃহৎ অংশ এই যুগৰ অন্তৰ্ভুক্ত। এই সময়ছোৱাত শিলেৰে নিৰ্মিত অস্ত্ৰ-শস্ত্ৰবোৰক প্ৰধানকৈ কাটিবলৈ, খান্দিবলৈ, জন্তুৰ গাৰ ছাল এৰুৱাবলৈ ব্যৱহাৰ কৰা হৈছিল। বৰ্তমান পাকিস্তানৰ সোণ আৰু সোহান উপত্যকা, কাশ্মীৰ, ৰাজস্থানৰ থৰ মৰুভূমি, গুজৰাটৰ হীৰণ উপত্যকা, মধ্যপ্ৰদেশৰ ভীমবেটকা শৈলআশ্ৰয় (Rock shelter), উত্তৰ প্ৰদেশৰ বেলন উপত্যকা হৈছে আদি প্ৰত্ন প্ৰস্ত যুগৰ প্ৰধান অন্তৰ্ভুক্ত ঠাই।

২/ মধ্য প্ৰত্ন প্ৰস্ত যুগ (Middle Paleolithic Age - 50,000 BCE-40,000 BCE) : চেপেটা কঠিন শিলেৰে নিৰ্মিত কেতবোৰ জোঙা আৰু ব্লেডৰ দৰে মসৃণ কেতবোৰ শৈল অস্ত্ৰৰ ব্যৱহাৰৰ বৈশিষ্ট্যপূৰ্ণ এই যুগৰ অন্তৰ্ভুক্ত প্ৰধান ঠাইসমূহ আছিল সোণ, নৰ্মদা আৰু তুংগভদ্ৰা নদী উপত্যকা, সিন্ধু আৰু ঝিলাম নৈৰ মাজৰ পট'ৱাৰ সমভূমি, পাকিস্তানৰ পেছোৱাৰ ওচৰৰ সাংহৌ গুহা।

৩/ পৰৱৰ্তী প্ৰত্ন প্ৰস্ত যুগ (Late or Upper Paleolithic Age - 40,000 BCE-10,000 BCE) : "হ্ম' চেপিয়েনছ" (Homo Sapiens) ৰ পোনপ্ৰথমবাৰৰ বাবে আৰ্বিভাবৰ সময় বুলি ঠাৰৰ কৰা এই পৰৱৰ্তী প্ৰত্ন প্ৰস্ত যুগক 'শেষ বৰফৰ যুগ' বুলিও জনা যায়; যি সময়ত বতৰ তুলনামূলকভাৱে গৰম আৰু কম আৰ্দ্ৰ (Warm and less humid) হৈছিল। শিলেৰে নিৰ্মিত সমান দাঁতিৰ অৰ্থাৎ মসৃণ ব্লেড, বটালি আদিৰ দৰে কেতবোৰ অস্ত্ৰৰ লগতে এইখিনি সময়ত মানুহে কিছুমান হাড়ে তৈয়াৰ কৰা হাথিয়াৰো (Some instances of bone tool) ব্যৱহাৰ কৰিছিল। অন্ধপ্ৰদেশ, কৰ্ণাটক, মহাৰাষ্ট্ৰ, মধ্যপ্ৰদেশৰ কেন্দ্ৰিয় অংশ, উত্তৰ প্ৰদেশৰ দক্ষিণ অংশ, চোটনাগপুৰ মালভূমি আদি ঠাইসমূহ এই পৰৱৰ্তী প্ৰত্ন প্ৰস্ত যুগৰ অন্তৰ্গত ঠাই। উল্লেখ্য যে, এই যুগত ব্যৱহৃত হাড়ৰদ্বাৰা নিৰ্মিত কেতবোৰ হাথিয়াৰ একমাত্ৰ কুৰনোলৰ গুহা আৰু অন্ধপ্ৰদেশৰ মোচ্ছাতলা চিন্তামনী গভী (Muchchatla Chintamani Gavi in Andhra Pradesh) ত পোৱা গৈছে।